# ASSAMESE REGIONAL NEWS 1845 HRS. 05-08-2025

## HEADLINES

১। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্যতিথিত ৰাজ্যজুৰি লোককল্যাণ দিৱস পালন। ৬৯ গৰাকী কৰ্মচাৰীলৈ লোকসেৱা পুৰস্কাৰ।

২। জনজাতীয় বেল্টত বাস কৰা খিলঞ্জীয়া জনগোষ্ঠীৰ লোককো ভূমি পট্টা দিবলৈ ৰাজ্য চৰকাৰৰ ব্যৱস্থা গ্ৰহণ।

৩। ইষ্টাৰ্ণ নাগালেণ্ডৰ মন জিলাত আলফা স্বাধীনৰ তিনিজন সদস্যৰ আত্মসমৰ্পণ।

৪। ৰাজ্যৰ বিভিন্ন ঠাইত মাদক দ্ৰব্য উদ্ধাৰ। ছজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ।

**আৰু**

৫। আলাবৈ ৰণৰ স্মৃতি দিৱস উপলক্ষে কামৰূপ আৰু শিৱসাগৰ জিলাত বিশেষ কাৰ্যসূচী।

০০০০০০০

ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয়গোপীনাথ বৰদলৈৰ পূণ্যতিথি আজি ৰাজ্যজুৰি লোককল্যাণদিৱসহিচাপে পালন কৰা হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্যচৰকাৰৰ উদ্যোগত এইদিনটো লোককল্যাণদিৱসহিচাপে পালন কৰি অহা হৈছে। এইউপলক্ষেগুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানতঅৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্টসেৱাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱাপুৰস্কাৰপ্ৰদানকৰা হয়। ইয়াৰ লগতেভালেসংখ্যকবিষয়ালৈ প্ৰশাসনব্যৱস্থাতদেখুওৱা পাৰদৰ্শিতাৰ বাবে কৰ্মশ্ৰী বঁটাও আগবঢ়োৱা হয়। চলিতবছৰত ৬৯ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱাব টাসমূহআগবঢ়োৱা হয়। ৰাজ্যিকপৰ্যায়ত অগ্নি আৰু জৰুৰীকালীনসেৱাবিভাগৰ দলপতি অংকুৰ নাৰায়ণদাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টিটাস্কিংষ্টাফবীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠসহায়কচিন্ময় বৰা, বিত্তবিভাগৰ সহকাৰী শাখাবিষয়াদ্বীপজ্যোতিবনিয়াকেধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিকপৰ্যায়ৰ লোকসেৱাব টা আগবঢ়োৱা হৈছে। একেদৰে ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱাপুৰস্কাৰ আগবঢ়োৱা হৈছে।**শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত লোককল্যাণ দিৱসৰ অনুষ্ঠানত মন্ত্ৰী ৰণজিত কুমাৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বঁটাসমূহ প্ৰদান কৰে। ভাষণ প্ৰসংগত শ্ৰীদাসে অসমক ভাৰতৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন নোহোৱাকৈ ৰাখিবলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অহোপুৰুষাৰ্থ কৰিছিল বুলি মন্তব্য কৰে। তেওঁ প্ৰয়াত বৰদলৈ অসমৰ ৰাজনৈতিক আৰু আধুনিক সমাজ ব্যৱস্থাৰ খনিকৰস্বৰূপ আছিল বুলি ভাষণত উল্লেখ কৰে।**

**বাইট (ৰণজিত কুমাৰ দাস)**

ৰাজ্যৰ বিভিন্ন জিলাতআয়োজন কৰা লোককল্যাণদিৱসৰ কাৰ্যসূচীত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোচা, মুখ্য সচিব ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিংকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

মন্ত্ৰী ৰণজিত কুমাৰ দাসে ইয়াৰ পাছত গুৱাহাটীৰ শিলপুখুৰীত থকা গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পুস্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে । অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়াকে ধৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে । অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাও অনুষ্ঠিত কৰা হয়।ধেমাজি জিলাতো ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত আজি বিয়লি লোককল্যাণ দিৱস উপলক্ষে জিলাভিত্তিক লোকসেৱা বঁটাসমূহ প্ৰদান কৰা

হয়। লখিমপুৰতো লোককল্যাণ দিৱসৰ কাৰ্যসূচীত দুজন প্ৰশাসনিক সহায়কক বঁটা প্ৰদান কৰা হয়। একেদৰে মাজুলীতো জিলা আয়ুক্তৰ কাৰ্যালয়ত লোককল্যাণ দিৱসৰ লগত সংগতি ৰাখি দুজন অৰাজপত্ৰিত কৰ্মচাৰীক লোকসেৱা বঁটা প্ৰদান কৰে।

গোৱালপাৰা জিলা প্ৰশাসনেও আজি গোৱালপাৰাৰ নটসূৰ্যফণী শৰ্মাভৱনত এইউপলক্ষে কাৰ্যসূচী ৰূপায়ণকৰা হয়। একেদৰে তামুলপুৰতো লোক কল্যাণ দিৱস পালন কৰি আধুনিক অসমৰ খনিকৰ হিচাপে স্বীকৃত ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৫ সংখ্যক মৃত্যু দিৱস পালন কৰা হয়।

০০০০০০০

জনজাতীয় বেল্ট আৰু ব্লকসমূহত বসতি কৰা খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকলেও যাতে ভূমিৰ পট্টা লাভ কৰিব পাৰে, তাৰবাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এইক্ষেত্ৰত ট্ৰাইবেল সংঘই কোনোধৰণৰ আপত্তি দৰ্শোৱা নাই বুলি মুখ্যমন্ত্ৰী ড ° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্যখনত এনেধৰণৰ সকলো বিষয় আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰাটো সম্ভৱ হৈ উঠিছে। চিৰাং জিলাত আজি বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে প্ৰচাৰত অংশ লোৱাৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে।

বাইট

উল্লেখযোগ্য যে বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহে তৎপৰতা অব্যাহত ৰাখিছে। নিৰ্বাচনৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা কৰা হোৱা নাই যদিও সম্প্ৰতি শাসক-বিৰোধী দলসমূহে প্ৰচাৰ অভিযান চলাই আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি চিৰাঙৰ দুখন দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে চিৰাঙৰ চুবাইঝাৰ আৰু থুৰিবাৰী পৰিষদীয় সমষ্টিভিত্তিত বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত প্ৰথমখন সন্মিলনত অংশগ্ৰহণ কৰে । আনহাতে মানাস ছেৰফাং পৰিষদীয় সমষ্টিভিত্তিত তেওঁ পাণবাৰী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত দ্বিতীয়খন সভাত অংশ লয়। বিজেপিয়ে নিজাকৈ বি টি চি পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি বিজেপিৰ হৈ প্ৰচাৰ চলাই আছে। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফে কালি ২২ টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। কোকৰাঝাৰৰ দেৱৰগাঁও সমষ্টিত হাগ্ৰামা মহিলাৰীয়ে নিজে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছে।

০০০০

ইষ্টাৰ্ণ নাগালেণ্ডৰ মন জিলাৰ অন্তৰ্গত মনয়াকচু চক্ৰৰ চাংলাংচ ’ গাঁৱত আলফা স্বাধীনৰ তিনিজন সদস্যই আজি আত্মসমৰ্পণ কৰে। আমাৰ চৰাইদেউৰ সংবাদ দাতাই সেনাবাহিনীৰ চোৰাং চোৱা শাখাৰ উদ্ধৃতিৰে দিয়া তথ্য অনুযায়ী আত্মসমৰ্পণ কৰা সদস্য তিনিজন কাৰ্বিআংলঙৰ দ্বীপজ্যোতি শইকীয়া, তিনিচুকীয়াৰ এন্ট ’নি মৰাণ আৰু চৰাইদেউৰ পৰাগজ্যোতি শইকীয়া বুলি জানিব পৰা গৈছে।

০০০০০০

কাছাৰ জিলা আৰক্ষীয়ে চোৰাংচোৱা সূত্ৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত অভিযান চলাই জিলাখনৰ দুটা স্থানত প্ৰায় ৭ কোটি টকাৰ মাদকদ্ৰব্য উদ্ধাৰ কৰাৰ লগতে ৫ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শিলচৰ থানাৰ অন্তৰ্গত সোণাবাৰীঘাট অঞ্চলত চলোৱা প্ৰথমটো অভিযানত আৰক্ষীয়ে ১৮ টা চাবোনৰ বাকচত সৰবৰাহকাৰীয়ে লুকুৱাই ৰখা প্ৰায় ২১৬ গ্ৰাম হেৰ ’ইন জব্দ কৰে। লক্ষীপুৰ থানাৰ অন্তৰ্গত মাৰ্খুলিন অঞ্চলত চলোৱা দ্বিতীয়টো অভিযানত ২০ হাজাৰটা নিচাযুক্ত টেবলেট জব্দ কৰা হয়। এই অভিযান কালত আৰক্ষীয়ে দুখন বাহনো জব্দ কৰে। ঘটনা

সংক্ৰান্তত ৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু দুয়োটা গোচৰৰ তদন্ত প্ৰক্ৰিয়া চলি আছে বুলি কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই প্ৰকাশ কৰিছে।

ধুবুৰী আৰক্ষীয়ে আজি পুৱতি নিশা অভিযান চলাই খলিচামাৰী চৰৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য উদ্ধাৰ কৰাৰ লগতে উদ্ধাৰ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে এই অভিযানত পাঁচটা চাবোনৰ বাকচত ব্ৰাউন ছুগাৰ আৰু অন্যান্য বৃহ ৎ পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০

আজি আলাবৈ ৰণৰ স্মৃতি দিৱস উপলক্ষে কামৰূপ জিলাৰ আমিনগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত থকা আলাবৈ ৰণ স্মৃতি সৌধৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহনৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই উপলক্ষে স্মৃতি তৰ্পণৰ পাছত এখন সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত, কামৰূপ জিলা প্ৰশাসন আৰু শৰাইঘাট জাৰ্নেলিষ্ট ফ 'ৰামৰ সহযোগত দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয় । পুৱা আলাবৈ পাহাৰ দাঁতিত পতাকা উত্তোলন আৰু আলাবৈ ৰণৰ ১০ হাজাৰ ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয় । ইপিনে, আজি সন্ধিয়া ঐতিহাসিক আলাবৈ ৰণস্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰায় ১৫৫ কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰা স্মতি সৌধ প্ৰকল্পৰ সমীপত আলাবৈ ৰণৰ ছহিদসকলৰ স্মৃতিত ১০ হাজাৰ বন্তি প্ৰজ্বলন কৰা হব । শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰত আজি আহোম পৰম্পৰা অনুসৰি আলাবৈ ৰণত প্ৰাণ আহুতি দিয়া বীৰ সেনানিসকলক সোঁৱৰি তৰ্পণ অনুষ্ঠানৰ আয়োজন কৰা হয়। পৰম্পৰাগত প্ৰথাৰে বাইলুং পূজাৰীয়ে এই সেনানিসকলক তৰ্পণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভালেমান লোকে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে ১৬৬৯ চনৰ আজিৰ দিনটোতে আহোম আৰু মোগল সেনাৰ মাজত উত্তৰ গুৱাহাটীৰ সমীপৰ আলাবৈত এই যুদ্ধ সংঘটিত হৈছিল। ইতিহাসৰ পাতত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত আলাবৈৰ ৰণত অসমৰ ১০ হাজাৰ সেনাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল । অসমীয়া সেনাৰ বীৰত্ব আৰু ত্যাগক সোঁৱৰণ কৰি প্ৰতিবছৰে আজিৰ এই দিনটোতে আলাবৈ ৰণ স্মৃতি দিৱস পালন কৰি অহা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাহস আৰু দেশভক্তিৰ অনুপম নিদৰ্শনেৰে মোগলৰ বিৰুদ্ধে অসীম সাহসেৰে যুঁজ দি প্ৰাণ আহুতি দিয়া অসমৰ বীৰ আহোম সৈন্যসকলৰ পৱিত্ৰ স্মৃতিত নিৰ্মাণ কৰা আলাবৈ ৰ ণ স্মৃতি ক্ষেত্ৰই অসমীয়া সৈন্যৰ আত্মত্যাগ আৰু বীৰত্বৰ গাঁথাক চিৰস্মৰণীয় কৰি ৰাখিব বুলি সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ সদৰ হামৰেণত আজি নীতি আয়োগৰ অধীনত সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আয়ুক্ত সাৰংগপানি শৰ্মাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত বিভিন্ন সমাজ উন্নয়নমূলক ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ব্যক্তিসকলক সন্মান যচা হয়। তাৰোপৰি আমৰি, চচেং আৰু ৰংখাং

খণ্ড বিষয়া কাৰ্যালয়ে লাভ কৰা চাৰে ৩ কোটি টকাৰ অনুদানো গুৰুত্বপূৰ্ণ শিতানত ব্যয় কৰিবলৈ জিলা আয়ুক্তই আহ্বান জনায়।

০০০০০০

কামৰূপ জিলাৰ ছয়গাঁৱত আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কলহী নৈৰ খহনীয়া পৰিদৰ্শন কৰে। সম্প্ৰতি খহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰা অঞ্চলটোৰ পটুৰিখাট, কটহী আৰু মাকেলি গাঁও পৰিদৰ্শন কৰি খহনীয়া সমস্যা সমাধানৰ বাবে স্থায়ী পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ সৈতে বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ নেঘেৰিবিলৰ দখলিকৃত ভূমিত ৰাজ্য চৰকাৰে উচ্ছেদ চলোৱাৰ পাছতে অঞ্চলটোৰ ভূমি নগাসকলৰ বুলি সীমান্তৰ তিনিখন নগাবস্তিৰ কাউন্সিলে মন্তব্য কৰাৰ পাছত ৰাজ্যৰ বিভিন্ন দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কালি নগালেণ্ডৰ একাংশ লোকে সৰুপথাৰৰ গেলাজান আৰু ২ নম্বৰ ৰজাপুখুৰী তেওঁলোকৰ বুলি দাবী কৰিছিল। আজি মেৰাপানী সীমান্তৰ নেঘেৰিবিলৰ সমীপৱৰ্তী তিনিখন নগা বসতিপ্ৰধান গাঁৱৰ ভিলেজ চেয়াৰমেনে নেঘেৰিবিলৰ ভূমি নগালেণ্ডৰ বুলি দাবী কৰি এটা ভিডিঅ ' মুকলি কৰে। তেওঁলোকে নেঘেৰিবিলৰ বনভোজথলীত ৰাজ্যৰ বিভিন্ন ঠাইৰ লোকে বনভোজ খাই অহা কাৰ্য এতিয়াৰেপৰা বন্ধ কৰা হ'ব বুলি কৰা ঘোষণাক অসমৰ কেইবাটাও সংগঠনে গৰিহণা দিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে এই বিষয়ত সাংবাদিকৰ আগত প্ৰকাশ কৰি দখলমুক্ত এলেকাত অসম আৰক্ষীৰ নিয়মীয়া তহলৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। তদুপৰি নেঘেৰিবিলত সোনকালে অসম বেটেলিয়নৰ এটা স্থায়ী শিবিৰ নিৰ্মাণৰো তেওঁলোকে দাবী তোলে। এই স্পৰ্শকাতৰ সীমান্ত অঞ্চল ৰাজ্যখনৰ ভৌগোলিক মানচিত্ৰৰ ভিতৰত থকা হেতুকে বিষয়টো লৈ নিশ্চয়তা প্ৰদান কৰিবলৈ তেওঁলোকে মুখ্যমন্ত্ৰীক দাবী জনায়।

বাইট

০০০০০

মৰিগাঁও জিলা কৃষি বিভাগে জিলাখনৰ বানত ক্ষতিগ্ৰস্ত ৰাইজক সকাহ দিয়াৰ বাবে কমিউনিটি নাৰ্ছাৰী শীৰ্ষক পদক্ষেপৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিছে। আজি বিভাগে সমূহীয়া কঠীয়াতলী প্ৰস্তুত কৰা উন্নত জাত কঠীয়া আনুষ্ঠানিকভাৱে বিতৰণ কৰে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, ২০২৫-২৬ৰ অধীনত গছৰ গুৰি কৃষি উন্নয়ন চক্ৰৰ অধীনৰ উদৰিৰ ভূমিত এই কঠীয়া ৰোপণ কৰা হ'ব। কৃষি বিভাগে আজি ৬১ গৰাকী কৃষকক এই কঠীয়া বিতৰণ কৰে।

০০০০০

সমাপ্ত